BU/EX/PG/SEM-1/1.01

2015

# ASSAMESE

Paper : 1.01

# HISTORY OF ASSAMESE LITERATURE

Full Marks : 80

Time : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা ঃ ১ × ১০ = ১০

(ক) 'হৰগৌৰী-সংবাদ' কাব্যগ্ৰন্থৰ ৰচক কোন?

(খ) কবিৰত্ন সৰস্বতীয়ে কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

(গ) শংকৰদেৱে মুঠতে কিমানটা বৰগীত ৰচনা কৰিছিল?

(ঘ) 'বধবাক্য' সমূহৰ ৰচিয়তা কোন?

(ঙ) সুকবি নাৰায়ণদেৱে ৰচনা কৰা এখন গ্ৰন্থৰ নাম লিখা।

(চ) 'গুৰুচৰিত কথা' কোনে সম্পাদনা কৰিছে?

(ছ) ইংৰাজীত লিখা 'অসমীয়া ভাষাৰ ব্যাকৰণ'খন কাৰ ৰচনা?

(জ) 'বনকুঁৱৰী' কবিতাটোৰ কবি কোন?

(ঝ) 'আৱাহন' আলোচনী খনৰ প্ৰথম সম্পাদক গৰাকী কোন?

(ঞ) নৱকান্ত বৰুৱা ৰচিত এখন কবিতা পুথিৰ নাম লিখা?



সিপিঠিত

২। চমুকৈ উত্তৰ লিখা ঃ  ২ × ৫ = ১০

(ক) মাধৱকন্দলী ৰচিত দুখন গ্ৰন্থৰ নাম লিখা?

(খ) মাধৱদেৱৰ দুখন ঝুমুৰাৰ নাম লিখা?

(গ) দুগৰাকী অবৈষ্ণৱ কবিৰ একোখনকৈ কাব্য পুথিৰ নাম লিখা।

(ঘ) 'অৰুণোদই' স্তৰ দুগৰাকী অখৃষ্টিয়ান লেখকৰ একোখনকৈ গ্ৰন্থৰ নাম উল্লেখ কৰা।

(ঙ) 'সুৰুজমুখী স্বপ্ন' উপন্যাসখনৰ ঔপন্যাসিক কোন আৰু এইখন কিমান চনত প্ৰকাশ পাইছিল?

৩। চমুটোকা লিখা ঃ (যিকোনো দুটা)  ৫ × ২ = ১০

(ক) কবি হৰিবৰ বিপ্ৰ

(খ) অনন্ত কন্দলী

(গ) লক্ষ্মীধৰ শৰ্মা

(ঘ) ৰামধেনুৰ চুটিগল্প

৪। হেম সৰস্বতী কোন যুগৰ কবি? তেওঁৰ পৃষ্ঠপোষক ৰজাগৰাকী কোন? তেওঁ ৰচনা কৰা পুথিসমূহ কি কি? তেওঁৰ সাহিত্যকৃতিৰ আলোচনা কৰা।  $^{১}/_{২}+^{১}/_{২}+১+৫=৭$

নাইবা

কোনগৰাকী কবিক 'অসমীয়া ব্যাস' বুলি অভিহিত কৰা হয়? তেওঁৰ সাহিত্যৰাজিৰ আভাস দিয়া।  ১+৬=৭

৫। মধ্যযুগত ৰচিত অসমীয়া ব্যৱহাৰিক সাহিত্যৰাজি সম্পৰ্কে এটি চমু নিবন্ধ যুগুত কৰা।  ৭

নাইবা

ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যবোৰ দেখুৱাই অসমীয়া ৰোমাণ্টিক কবিতাৰ বিষয়ে বহলাই আলোচনা কৰা।  ৩+৪=৭

তলত যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

৬। মাধৱ কন্দলিয়ে ৰচনা কৰা ৰামায়ণৰ মৌলিকতা বিচাৰ কৰি তাত তৎকালীন অসমৰ সমাজ জীৱনৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে আলোচনা কৰা।  ৬+৬=১২

৭। শংকৰদেৱৰ সাহিত্য-কীৰ্তিৰ চমু পৰিচয় দি তেওঁৰ সাহিত্য সমগ্ৰৰ মাজেদি বৈষ্ণৱ ভাৱাদৰ্শ কিদৰে প্ৰতিফলিত হৈছে বুজাই লিখা।  ৬+৬=১২

৮। অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।  ১২

৯। অসমীয়া ভাষা সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।  ১২

১০। যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ বিষয়ে এটি চমু প্ৰবন্ধ লিখা।  ১২

—— × ——